জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৬৮/২০২২

# ‘বিকাশৰ বাবে এটা পষেক’ কাৰ্যসূচীৰ অধীনত লক্ষীমপুৰ জিলাত ১০৩১.৬৮ কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন প্ৰকল্পৰ শিলান্যাস তথা শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## অসম চৰকাৰে ৰাজ্যৰ চাৰিও দিশে উন্নয়নৰ বন্তি জ্বলাবলৈ প্ৰয়াস আৰু প্ৰচেষ্টা লৈছে ঃ মুখ্যমন্ত্ৰী

## সমউন্নয়ন হৈছে আমাৰ সংকল্প ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৬ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লক্ষীমপুৰ জিলাৰ ঘূনাসুঁতিস্থিত মিৰিজীয়ৰী মহাবিদ্যালয়ৰ জংকি পানৈ ক্ষেত্ৰত ‘বিকাশৰ বাবে এটা পষেক’ কাৰ্যসূচীৰ অধীনত ১০৩১.৬৮ কোটি টকা ব্যয় সাপেক্ষে ১৫ টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ উপৰি ১৩ টা প্ৰকল্প জিলাবাসীৰ সেৱাত উৎসৰ্গা কৰে। স্মৰ্তব্য যে, যোৱা ৫ ডিচেম্বৰৰ পৰা এই কাৰ্যসূচীৰ অধীনত মুখ্যমন্ত্ৰীয়ে বৰ্তমানলৈ ক্ৰমে বঙাইগাঁও, নলবাৰী, তামুলপুৰ, গোলাঘাট, বিশ্বনাথ, মাজুলী আৰু যোৰহাট জিলা ভ্ৰমণ কৰি বহু কেইটা প্ৰকল্পৰ শিলান্যাস আৰু শুভ উদ্বোধন কৰিছে। লক্ষীমপুৰত অনুষ্ঠিত আজিৰ এই অনুষ্ঠানতে ৫ গৰাকী ভূমিপুত্ৰলৈ মাটিৰ পট্টা আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰে ।

মুখ্যমন্ত্ৰীয়ে আজি অসম মালা আঁচনিৰ অধীনত সোৱণশিৰি নদীৰ ওপৰত উত্তৰ লক্ষীমপুৰ-ঘূনাসুঁতিলৈ সংযোগী পথৰ সৈতে মুখ্য পকী দলঙৰ আধাৰশিলা, নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প (এন এইচ পি চি)ৰ দ্বাৰা সোৱণশিৰি নামনি অংশৰ সুৰক্ষা আঁচনি (চতুৰ্থ পৰ্যায়)ৰ আধাৰশিলা, জিলাখনৰ চাবতিত লক্ষীমপুৰ ক্ৰীড়া প্ৰকল্পৰ পৰ্যায়-২ৰ আধাৰশিলা, আৰ আই ডি এফ-২৭ আঁচনিৰ অধীনত ব্ৰহ্মপুত্ৰ নদীৰ মথাউৰিৰ ওপৰেৰে টেকেলীফুটাৰ পৰা লোটাচুৰলৈ পথৰ আধাৰশিলা, সোণাৰি চাপৰি, মৰনৈ আৰু গৰৈমাৰী ৩৩/১১ কে. ভি. বিদ্যুৎ উপকেন্দ্ৰৰ আধাৰশিলা, নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি ২০২১-২২ বৰ্ষৰ অধীনত লক্ষীমপুৰ জিলা আন্তঃৰাজ্যিক বাছ আস্থানৰ আধাৰশিলা, নাবাৰ্ডৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন প্ৰকল্প-২৭ৰ অধীনত ৰঙানদীৰ বাঁওপাৰে আমপৰাৰ পৰা আমতলালৈ মথাউৰি তথা পকী পথৰ আধাৰশিলা, নাবাৰ্ডৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন প্ৰকল্প-২৮ৰ অধীনত ভীমপৰাৰ পৰা ন-আলিলৈ সোৱণশিৰিৰ সোঁপাৰৰ মথাউৰিৰ তেলীয়া পথাৰ অঞ্চলত ৰিটায়াৰমেন (Retiremen) নিৰ্মাণ কৰাৰ লগতে নলা খন্দা আৰু প্ৰ’-চিলটেচন (Pro-siltation) ব্যৱস্থাৰ আধাৰশিলা, ঢকুৱাখনাৰ বিষ্ণুৰাম দলে ক্ৰীড়া প্ৰকল্প (মিনি ষ্টেডিয়াম)ৰ

আধাৰশিলা, মুখ্যমন্ত্ৰী উন্নত পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত নিৰ্মিত ৰঙাজান (পুৰণা চিভিল হস্পিতালৰ পৰা লীলাবাৰী বিমান বন্দৰলৈ) পথৰ উন্নীতকৰণৰ আধাৰশিলা, মুখ্যমন্ত্ৰী উন্নত পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত দেবেৰাৰ পৰা এফ.চি.আই. গুদাম হৈ এঙাৰখোৱা তেল ডিপুলৈ পথৰ উন্নীতকৰণৰ আধাৰশিলা, নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি আঁচনি ২০২১-২২ বৰ্ষৰ অধীনত লক্ষীমপুৰ জিলা গ্ৰন্থাগাৰ আৰু প্ৰেক্ষাগৃহৰ আধুনিকীকৰণৰ আধাৰশিলা, উত্তৰ লক্ষীমপুৰ মহিলা ঔদ্যোগিক প্ৰতিষ্ঠানৰ কৰ্মশালা তথা কাৰিকৰী গৱেষণাগাৰৰ আধাৰশিলা, নাবাৰ্ডৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি আৰ আই ডি এফ-২৭ৰ অধীনত ডিক্ৰুং নদীৰ সোঁফালৰ মথাউৰি তথা পথ (ৰে'লৱে গাইড বান্ধৰ পৰা মধুপুৰলৈ)ৰ আধাৰশিলা, ১৩ নং ৱাৰ্ডত পি. এম. এ. ৱাই (নগৰীয়া)ৰ সৈতে সংগতি ৰাখি স্থানীয়ভাৱে বস্তি পুনৰ উন্নয়ন আৰু চি. আই. ডি. এফৰ অধীনত উত্তৰ লক্ষীমপুৰ টাউনৰ হৰিজন কলনি নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰে।

আনহাতে মুখ্যমন্ত্ৰীয়ে আজি ৰাষ্ট্ৰীয় ঘাইপথ-১৫ৰ উজনি পহুমৰা মিৰিৰ পৰা চৰাইমৰীয়ালৈ উত্তৰ লক্ষীমপুৰ উপপথ (বাইপাছ), কেন্দ্ৰীয় পথ পুঁজি (চি আৰ এফ) ২০১৭-১৮ আঁচনিৰ অধীনত খজুৱা তিনিআলিৰ পৰা ঢকুৱাখনা হৈ মাতমৰা পথ, ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ আঁচনিৰ অধীনত লক্ষীমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় সংযোগী (ৰঙাজান পথৰ ৩ কিঃমিঃ অংশৰ চৌখাম তিনিআলিৰ পৰা লক্ষীমপুৰ ৰেলৱে ষ্টেচন আৰু লক্ষীমপুৰ চিকিৎসা মহাবিদ্যালয়লৈ) পথ, অসম চৰকাৰৰ ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ আঁচনি ২০১৮-১৯ বৰ্ষৰ অধীনত চিয়াজুলী-লীলাবাৰী পথৰ কাকৈ নদীৰ ওপৰত ১৬১.২৪ মিঃ দৈৰ্ঘ্যৰে পকী দলং, ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ আঁচনি ২০১৯-২০ বৰ্ষৰ অধীনত লীলাবাৰীৰ পৰা চিয়াজুলী সংযোগী পথ, লক্ষীমপুৰৰ উপ আঞ্চলিক বিজ্ঞানগৃহ আৰু তাৰকাগৃহ, নাবাৰ্ডৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি ২৬ ৰ মহাবীৰ লাচিত-চিলাৰায় সেতু নিৰ্মাণ অভিযান আঁচনিৰ অধীনত গোবৰিশালীৰ পৰা ১ নং গোবৰিশালী পথৰ পাঁচনৈ নদীৰ ওপৰত ৪/১ নং পকী দলং, নাবাৰ্ডৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি ২৬ ৰ মহাবীৰ লাচিত-চিলাৰায় সেতু নিৰ্মাণ অভিযান আঁচনিৰ অধীনত চাবতি নলকটা সংযোগী পথৰ ২/১ নং পকী দলং, নাবাৰ্ডৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি ২৬ ৰ মহাবীৰ লাচিত-চিলাৰায় সেতু নিৰ্মাণ অভিযান আঁচনিৰ অধীনত এঙাৰখোৱাৰ পৰা দেওবিল সংযোগী পথৰ ৩/১ নং পকী দলং, নাবাৰ্ডৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি আৰ আই ডি এফ-২৫ ৰ মহাবীৰ লাচিত-চিলাৰায় সেতু নিৰ্মাণ অভিযান আঁচনিৰ অধীনত জাপিসজীয়াৰ পৰা দেবেৰা হৈ এফ. চি. আই. ভঁড়াল সংযোগী পথৰ সোমদিৰি নদীৰ ১/১ নং পকী দলং, এছ অ' পি ডি-জি আঁচনি ২০১৯-২০ৰ অধীনত বৰদৈবাম-বাসুদেৱ থান পথত ৫০ মিঃ দৈৰ্ঘ্যৰ পকী দলং, লক্ষীমপুৰ ৰহঢলা পুখুৰী সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্দ্ধন আৰু ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ আঁচনিৰ অধীনত চাবতিৰ লক্ষীমপুৰ কৰ্কট পৰিচৰ্যা চিকিৎসালয়ৰ পৰা চুকুলিভৰীয়া হৈ গৰীয়াজন যোৱা পথৰ পকী নৰ্দমা তথা পদপথৰ শুভ উদ্বোধন কৰে।

এই উপলক্ষে ঘূনাসুঁতিৰ জংকি পানৈ ক্ষেত্ৰত অনুষ্ঠিত জনসভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই লক্ষীমপুৰ জিলাৰ সমৃদ্ধ ইতিহাস, বৰ্ণিল সংস্কৃতিৰ লগতে বৰেণ্য ব্যক্তিসকলক স্মৰণ কৰে। তেওঁ কয় যে ঘূনাসুঁতিত সোৱণশিৰি নৈৰ ওপৰত দলং নিৰ্মাণ এক সপোন আছিল। এতিয়া প্ৰায় ৩৮৩ কোটি টকা ব্যয়ৰে সেই স্থানত এখন দলং নিৰ্মাণ হোৱাৰ দিশত আগবাঢ়িছে। ইয়াৰ বাবে তেওঁ গৌৰৱ অনুভৱ কৰিছে

বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে ২০২৬ চনৰ আগত দলংখনৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হ'ব বুলি সদৰি কৰে। ড° শৰ্মাই কয় যে উন্নয়নৰ সমান্তৰালকৈ দৰিদ্ৰতা দূৰীকৰণেৰে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণৰ বাবে চেষ্টা কৰিছে আৰু সমউন্নয়নেই হৈছে ৰাজ্য চৰকাৰৰ সংকল্প। বৰ্তমানৰ চৰকাৰে দিয়া প্ৰতিশ্ৰুতিসমূহ বাস্তৱত পৰিণত কৰিব বুলি জনসাধাৰণৰ মাজত বিশ্বাস উপজিছে বুলিও মন্তব্য কৰি ড° শৰ্মাই কয় যে যোৱা ডেৰ বছৰত অসমৰ ৰাইজে বিকাশৰ যি নতুন পৰিৱেশ সৃষ্টি কৰিছে তাৰ বাবে ৰাজ্যখনত পূৰ্বে নোহোৱা বহু কামৰ ৰূপায়ণ সম্ভৱ হৈছে। তেওঁ লগতে কয় যে বিগত ডেৰ বছৰত অসমৰ জনসাধাৰণে আন্দোলন বিবৰ্জিত শান্তিৰ পৰিৱেশ গঢ়ি তোলাৰ লগতে ভাতৃত্ববোধ আৰু সমন্বয়ৰ যি নতুন পৰিৱেশ গঢ়ি তুলিছে তাৰ ফলস্বৰূপেই ৰাজ্যখনৰ চাৰিওফালে উন্নয়নৰ গংগা প্ৰৱাহিত হ'ব ধৰিছে। অহা পাঁচ-ছয় বছৰত এনে পৰিৱেশ বৰ্তি থাকিলে উন্নয়নৰ বহ্নিশিখা জ্বলাৰ লগতে অসম দেশৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ ৰাজ্যত পৰিণত হ'ব বুলিও তেওঁ কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে ৰাজ্য চৰকাৰে চৰকাৰখনক ৰাইজৰ দুৱাৰদলিলৈ নিয়াৰ বাবে প্ৰচেষ্টা লৈছে বুলিও উল্লেখ কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰে অসমৰ চাৰিও দিশে উন্নয়নৰ বন্তি জ্বলাবলৈ চেষ্টা কৰিছে আৰু ৰাজ্যখনক সমগ্ৰ দেশৰ ভিতৰতে এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে প্ৰয়াস আৰু প্ৰচেষ্টা কৰিছে। ৰাজ্যখনলৈ অহা এই উন্নয়নৰ পৰিৱেশৰ সমান্তৰালকৈ নৱ প্ৰজন্মক শৈক্ষিক ক্ষেত্ৰখনত আগবঢ়াই লৈ যোৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ তেওঁ উপস্থিত জনসাধাৰণলৈ আহ্বান জনায়। অহা বছৰত ৰাজ্য চৰকাৰে সমগ্ৰ ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহৰ শৈক্ষিক আন্তঃগাঁথনি বিকাশৰ কাম আৰম্ভ কৰিব বুলিও তেওঁ সদৰি কৰে। ভাষণ প্ৰসংগত তেওঁ কয় যে লক্ষীমপুৰ আৰু ঢকুৱাখনা সমষ্টিত নতুনকৈ ৬ হাজাৰকৈ অৰুণোদয় হিতাধিকাৰী অন্তৰ্ভুক্ত হ'ব । তেনেদৰে আগন্তুক বৰ্ষত নতুনকৈ আৰু ৮ লাখ মহিলাক আঁচনিখনত অন্তৰ্ভুক্ত কৰা হ'ব বুলি সদৰি কৰি তেওঁ লক্ষীমপুৰ আৰু ঢকুৱাখনা সমষ্টিত নতুনকৈ ১০ হাজাৰ পৰিয়ালে ৰেচন কাৰ্ড লাভ কৰিব বুলি জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনৰ সৰ্বমুঠ জনসংখ্যাৰ ৬০ শতাংশ লোকেই যাতে অৰুণোদয় আঁচনিখনৰ সুবিধা লাভ কৰিব পাৰে সেই দিশলৈ লক্ষ্য ৰাখি ৰাজ্য চৰকাৰখনে আগবাঢ়িছে বুলি কয়।

অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোচা, সাংসদ প্ৰদান বৰুৱা, বিধায়কসকল ক্ৰমে নৱ কুমাৰ দলে, মানৱ ডেকা, ভূৱন পেগু, ড° অমিয় কুমাৰ ভূঞা, মিচিং স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ সুনীল কুমাৰ পেগু, পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙ্গীয়া, এন এইচ পি চিৰ কাৰ্যবাহী সঞ্চালক বিপিন গুপ্তাকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে ।

আনহাতে বিকাশৰ বাবে এটা পযেক কাৰ্যসূচীৰ অধীনত আজি লক্ষীমপুৰ জিলা ভ্ৰমণ কালত মুখ্যমন্ত্ৰীয়ে ঘূনাসুঁতিত 'বিশেষ টীকাকৰণ অভিযান ২.০- অসম'ৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে এই অভিযানৰ অধীনত প্ৰত্যেক শিশুক সম্পূৰ্ণ টীকাকৰণ সুনিশ্চিত কৰাৰ লগতে গৰ্ভৱতী মহিলাৰ বাবেও টি ডি প্ৰতিষেধক প্ৰদানৰ বিশেষ ব্যৱস্থা লোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে সকলো শিশুকে এই অভিযানৰ অধীনত প্ৰতিষেধক

প্ৰদানৰ বাবে আগবাঢ়ি আহিবলৈ অভিভাৱকসকলক আহ্বান জনায়।

**নিঃকুঃদাঃ**
**১৬/১২/২০২২**